জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৫৫/২০২২**

# ড'নবস্ক বিশ্ববিদ্যালয়ৰ ভূমি দখলৰ বিষয়টো তদন্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰিলে তিনিজনীয়া তদন্ত সমিতি

**দিছপুৰ, ২৬ মে'** ঃ এগৰাকী উদ্যোগীৰ আত্মহত্যা আৰু তেওঁৰ মৃত্যুক কেন্দ্ৰ কৰি ভূমি দখলৰ বিষয়টো জড়িত হৈ পৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰৰ নেতৃত্বত এখন তিনিজনীয়া তদন্ত সমিতি গঠন কৰিছে।

এই সমিতিয়ে সোণাপুৰ ৰাজহ চক্ৰৰ অধীনত ড'নবস্ক বিশ্ববিদ্যালয়ৰ ভূমি দখলৰ বিষয়টো তদন্ত কৰিব। এই তদন্ত সমিতিৰ আন দুগৰাকী সদস্য হৈছে ৰাজহ বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠী আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা।

এই সমিতিয়ে উক্ত অভিযোগৰ বিষয়ে তদন্ত কৰিব আৰু সত্য প্ৰমাণিত হ'লে সমিতিয়ে মাটি উদ্ধাৰৰ সম্পৰ্কত পৰামৰ্শ আগবঢ়াব।

সুঃদঃ / পুঃডেঃ
**২৬/০৫/২০২২**